# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date : 17-06-2025**
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা কানাডাৰ কানানাস্কিছত হ'বলগীয়া জি-ছেভেন সন্মিলনত অংশগ্ৰহণ কৰিব।

২। বিকশিত ভাৰত মাথো এটা সপোনেই নহয় বৰং জ্ঞান অৰ্থব্যৱস্থা চালিত নিশ্চিত লক্ষ্য বুলি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে।

৩। আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত প্ৰায় ১৬২ গৰাকী লোকৰ মৃতদেহ ডি এন এ পৰীক্ষাৰ জৰিয়তে চিনাক্ত কৰা হৈছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইজৰাইল আৰু ইৰানৰ মাজৰ বৰ্ধিত সংঘৰ্ষৰ বাবে কানাডাত অনুষ্ঠিত জি-ছেভেন শীৰ্ষ সন্মিলন আধাতে সামৰি ৱাছিংটনলৈ উভতি গৈছে। ***আৰু***

৫। এফ আই এইচ হকী প্ৰ-লীগ প্ৰতিযোগিতাত কিছুসময়ৰ পাছত ভাৰতীয় মহিলা দল আৰ্জেণ্টিনাৰ মুখামুখি হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা কানাডাৰ কানানাস্কিছত হ'বলগীয়া জি-ছেভেন সন্মিলনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে পৰিৱৰ্তিত বিশ্বত শক্তি সুৰক্ষা, প্ৰযুক্তি, আন্তঃগাঁথনি আৰু বিনিয়োগ সন্দৰ্ভত জি-ছেভেন সন্মিলনত হ'বলগীয়া আলোচনাত ভাগ ল'ব। এয়া হ'ব প্ৰধানমন্ত্ৰীগৰাকীৰ জি-ছেভেন সন্মিলনত একেৰাহে ষষ্ঠবাৰৰ বাবে অংশগ্ৰহণ। সন্মিলনৰ মাজতে প্ৰধানমন্ত্ৰী মোদীয়ে জি-ছেভেন সদস্যভুক্ত দেশসমূহৰ নেতৃবৰ্গৰ উপৰি আমন্ত্ৰিত দেশ আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহৰ মুৰব্বীসকলৰ সৈতে বিভিন্ন গোলকীয় বিষয়ত মত বিনিময় কৰিব। তেওঁ কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ সৈতেও আলোচনাত বহিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি বিগত এক দশকত এয়া হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথম কানাডা ভ্ৰমণ। তেওঁ ইয়াৰ পূৰ্বে ২০১৫ চনত কানাডালৈ গৈছিল। দেশখনত বহু সংখ্যক ভাৰতীয় ছাত্ৰ আছে। ভাৰত আৰু কানাডাৰ মাজত বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱনী ক্ষেত্ৰত সহযোগিতাৰ বিশাল সম্ভাৱনা আছে। কানাডা হৈছে ভাৰতীয় মূলৰ লোকৰ অন্যতম বৃহৎ দেশ। তথ্য অনুসৰি দেশখনৰ মুঠ জনসংখ্যাৰ প্ৰায় চাৰি দশমিক ৫ শতাংশই হৈছে ভাৰতীয়।

ooooo

বিকশিত ভাৰত মাথো এটা সপোনেই নহয় বৰং জ্ঞান অৰ্থব্যৱস্থা চালিত নিশ্চিত লক্ষ্য বুলি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে। পণ্ডিচেৰী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী, অধ্যাপক আৰু কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰি শ্ৰীধনখড়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধান অংশীদাৰ হিচাপে দেশক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষাৰ্থী আৰু যুৱ প্ৰজন্মৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শিক্ষাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে শিক্ষাই সকলো ধৰণৰ অসমানতা দূৰ কৰি সমতা স্থাপন কৰে। তেওঁ অৱশ্যে শিক্ষাৰ

ব্যৱসায়কৰণৰ বিৰুদ্ধে সকিয়াই দিয়ে। তেওঁ লগতে ভাৰতৰ পৰম্পৰাগত গুৰুকুল ব্যৱস্থা নিহিত প্ৰমূল্যৰাজিৰ প্ৰতি ঘূৰি যাবলৈ আহ্বান জনায়। ভাৰতৰ ষ্টাৰ্টআপ অনুকুল তন্ত্ৰৰ বিষয়ে উল্লেখ কৰি শ্ৰীধনখড়ে কয় যে ইউনিকন খণ্ডৰ অগ্ৰণী হ'বলৈ পাই ভাৰত গৌৰৱান্বিত। সামুদ্ৰিক অৰ্থব্যৱস্থাৰ পৰা মহাকাশ অৰ্থব্যৱস্থা আৰু উদ্ভাৱনৰ পৰা গৱেষণালৈ দেশৰ যুৱ প্ৰজন্মৰ বাবে প্ৰতিদিনে ব্যাপক সুযোগ আৰু সম্ভাৱনাৰ সৃষ্টি হৈছে বুলি শ্ৰীধনখড়ে মন্তব্য কৰে। উপৰাষ্ট্ৰপতিগৰাকীয়ে লগতে যুৱ প্ৰজন্মক নতুন উদ্যম আৰু ষ্টাৰ্টআপ প্ৰতিষ্ঠান আৰম্ভ কৰিবলৈ উৎসাহিত কৰা চৰকাৰৰ ইতিবাচক শাসন আৰু সমৰ্থনৰ নীতিৰ শলাগ লয়। তেওঁ শিক্ষাৰ্থীসকলক এনে সুযোগৰ লাভ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। শ্ৰী ধনখড়ে ৰাষ্ট্ৰীয় শিক্ষানীতিক বিশ্বৰ সৰ্বশ্ৰেষ্ঠ বুলি অভিহিত কৰে আৰু ইয়াৰ স্থিতিস্থাপক গুণৰ প্ৰশংসা কৰে। তেওঁ কয় যে এই নতুন শিক্ষানীতিয়ে শিক্ষাৰ্থীসকলক বিভিন্ন পাঠ্যক্ৰমৰ অন্বেষণ কৰাৰ লগতে নিজৰ প্ৰতিভা, সামৰ্থ আৰু সময়ৰ সদ্ব্যৱহাৰৰ সুযোগ প্ৰদান কৰে। অনুষ্ঠানত পুডুচেৰীৰ উপৰাজ্যপাল কে. কৈলাশ নাথন, মুখ্যমন্ত্ৰী এম. ৰংগাস্বামী, বিধানসভাৰ অধ্যক্ষ আৰ. চেল্‌ভম আৰু গৃহমন্ত্ৰী এ. নমশ্বিৱায়ম প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত প্ৰায় ১৬২ গৰাকী লোকৰ মৃতদেহ ডি এন এ পৰীক্ষাৰ জৰিয়তে চিনাক্ত কৰা হৈছে বুলি গুজৰাটৰ গৃহ, ৰাজ্যিক মন্ত্ৰী হৰ্ষ সংঘৱিয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে কেন্দ্ৰীয় সংস্থাসমূহৰ সহযোগত ফৰেনচিক আৰু আইনী আনুষ্ঠানিকতা ক্ষীপ্ৰতাৰে সম্পন্ন কৰিছে। শোকাবহ বিমান দুৰ্ঘটনাটোৰ পাছত আহমেদাবাদৰ পৰা লণ্ডন অভিমুখে নতুন কোডসহ কৰিবলগীয়া এয়াৰ ইণ্ডিয়াৰ বিমান যাত্ৰা সতৰ্কতামূলক কাৰক আৰু বিমান উৰণ পথত অসুবিধাৰ বাবে আজি বাতিল কৰা হয়।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইজৰাইল আৰু ইৰানৰ মাজৰ বৰ্ধিত সংঘৰ্ষৰ বাবে কানাডাত অনুষ্ঠিত জি-ছেভেন শীৰ্ষ সন্মিলন আধাতে সামৰি ৱাছিংটনলৈ উভতি গৈছে। বিশ্বনেতাসকলে পশ্চিম এছিয়াৰ উত্তেজনা হ্ৰাস কৰাৰ আহ্বান জনাই যুটীয়া বিবৃতি জাৰি কৰা কেইঘণ্টামানৰ পিছতে শ্ৰীট্ৰাম্পে বৈঠক সামৰি আমেৰিকালৈ বুলি ৰাওনা হয়।

ট্ৰাম্পে জি চেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সতীৰ্থ নেতাসকলক ইৰান আৰু ইজৰাইলৰ মাজত যুদ্ধবিৰতিৰ বাবে অব্যাহত থকাৰ বিষয়ে প্ৰকাশ কৰা বুলি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ই জানিবলৈ দিছে। শ্ৰীট্ৰাম্পে সামাজিক মাধ্যমযোগে জি ছেভেন শীৰ্ষ সন্মিলন আধাতে সামৰাৰ সৈতে যুদ্ধবিৰতিৰ কোনো সম্পৰ্ক নাই বৰং তাতকৈ বৃহৎ কিবা এটাৰ বাবেহে তেওঁ স্বদেশলৈ উভতি যোৱা বুলি প্ৰকাশ কৰিছে। অৱশ্যে তেওঁ এই বিষয়ে সবিশেষ কৰা নাই। ট্ৰাম্পে বৈঠক এৰি ওলাই অহাৰ কিছুসময় পূৰ্বে আমেৰিকা, কানাডা, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান আৰু ব্ৰিটেইনক লৈ গঠিত জি ছেভেন ৰাষ্ট্ৰগোষ্ঠীয়ে ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষৰ সমাধানৰ বাবে আৰু অঞ্চলটো সুস্থিৰ কৰি তোলাৰ বাবে ব্যাপক প্ৰয়াসৰ বাবে আহ্বান জনায়। কিছুদিন পূৰ্বে ৰাষ্ট্ৰপতি ট্ৰাম্পে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিকসকলক তেহৰান এৰিবলৈ সকিয়াই দিছিল আৰু ইৰানে আঞ্চলিক উচতনি যোগোৱা কাৰ্যৰ পৰা নিজকে সম্পূৰ্ণৰূপে আঁতৰাই নানিলে সংঘৰ্ষ বৃদ্ধি পাব পাৰে বুলি পৰামৰ্শ আগবঢ়াইছে। ইজৰাইলৰ সৈন্য বাহিনীয়ে যোৱা শুকুৰবাৰে ইৰানৰ একাংশ এলেকাক লক্ষ্য কৰি ক্ষেপনাস্ত্ৰ আক্ৰমন আৰম্ভ কৰাৰ পাছত অঞ্চলটোত নতুনকৈ হিংসাৰ সূত্ৰপাত ঘটিছে। ইৰানেও প্ৰত্যুত্তৰত ইজৰাইলৰ কেইবাখনো চহৰক আক্ৰমণৰ লক্ষ্য কৰি লৈছে।

ooooo

কংগ্ৰেছে জাতিগত লোকপিয়ল সন্দৰ্ভত চৰকাৰৰ স্থিতিৰ বিষয়ে জনসাধাৰণক বিপথে পৰিচালনা কৰা বুলি বিজেপিয়ে অভিযোগ তুলিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয় যে চৰকাৰে পিয়ল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু আৰ্থসামাজিক আৰু জাতিগত গণনা কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে। শ্ৰীত্ৰিবেদীয়ে কয় যে কংগ্ৰেছে সাংবিধানিক আৰু আইনী পৰিকাঠামোৰ বিষয়ে ভালকৈ বুজা উচিত। তেওঁ কয় যে কংগ্ৰেছে এই কথাটো ভালদৰে বুজা উচিত যে জাতিগত পিয়ল কেন্দ্ৰীয় চৰকাৰৰ এক্তিয়াৰৰ বিষয়ে ৰাজ্য চৰকাৰৰ নহয়।

০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ. বি. আইয়ে সুদৰ হাৰৰ সৈতে জড়িত একপ্ৰকাৰৰ বিত্তীয় চুক্তি Rupee interest rate দেৰিয়েভেটিভছ্ আই আৰ ডি ব্যৱসায়ৰ নিয়ম উন্নত কৰাৰ বাবে খছৰা নীতি নিৰ্দেশনা জাৰি কৰিছে। বেংক, কোম্পানী আৰু বিনিয়োগকাৰীসকলে সুদৰ হাৰ পৰিৱৰ্তনৰ সৈতে জড়িত বিপদাশংকা নিয়ন্ত্ৰণ কৰাৰ বাবে এই চুক্তিৰ সহায় লয়। নতুন খছৰা নীতি নিৰ্দেশনা অভাৰ দ্যা কাউণ্টাৰ আৰু ছেয়াৰ বজাৰত ব্যৱসায়ৰ সুদৰ হাৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। ৰিজাৰ্ভ বেংকে ৭ জুলাই পৰ্যন্ত জনসাধাৰণ আৰু ছেয়াৰ ব্যৱসায়ৰ সৈতে জড়িত ব্যৱসায়ীসকলৰ পৰা এই সন্দৰ্ভত দিহা পৰামৰ্শ বিচাৰিছে। এই ব্যৱস্থাৰ অধীনত ভাৰতীয় আৰু বিদেশী নাগৰিকে এই বজাৰত অংশগ্ৰহণ কৰিব পাৰিব। ৰিজাৰ্ভ বেংকে ইয়াৰ পূৰ্বে ২০১৯ চনত এনেধৰণৰ নিয়ম জাৰি কৰিছিল।

০০০০০

মধ্য চীনৰ এখন গাঁৱৰ আতচবাজী কাৰখানাত সংঘটিত বিস্ফোৰণত কমেও ৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৬ জন লোক আহত হয়। চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি কালি পুৱা হুনান প্ৰদেশত এই বিস্ফোৰণ হয়। অধিক বিস্ফোৰণৰ আশংকা আৰু পানীৰ অভাবৰ বাবে অগ্নি নিৰ্বাপন আৰু উদ্ধাৰ কাৰ্যত যথেষ্ট জটিলতাৰ সন্মুখীন হৈছে। বিস্ফোৰণৰ কাৰণৰ সম্ভেদ উলিওৱাৰ বাবে বৰ্তমানেও তদন্ত অব্যাহত আছে।

০০০০০

পুৰুষ আৰু মহিলাৰ হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ প্ৰতিযোগিতা কাইলৈ চেন্নাইত অনুষ্ঠিত হ'ব। তামিলনাডুৰ হকী গোটে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাত ৪০ বছৰ বয়সৰ উৰ্ধৰ পুৰুষ আৰু ৩৫ বছৰ বয়সৰ উৰ্ধৰ মহিলাৰ দলে অংশগ্ৰহণ কৰিব।

০০০০০

এফ আই এইচ হকী প্ৰ-লীগ প্ৰতিযোগিতাত কিছুসময়ৰ পাছত লণ্ডনৰ লি ভেলী হকী আৰু টেনিছ কেন্দ্ৰত হবলগীয়া এখন খেলত ভাৰতীয় মহিলা দল আৰ্জেণ্টিনাৰ মুখামুখি হ'ব। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত ভাৰতীয় দলটোৱে বিশ্বক্ৰমৰ দ্বিতীয় স্থানৰ আৰ্জেণ্টিনাৰ বিৰুদ্ধে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ প্ৰয়াস চলাব। প্ৰতিযোগিতাত এইপৰ্যন্ত ভাৰতে মুঠ ৯ পইণ্ট অৰ্জন কৰি পইণ্ট তালিকাৰ সপ্তম স্থানত আছে। ইপিনে আৰ্জেণ্টিনা সম্প্ৰতি পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

০০০০০

সমাপ্ত